জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭১/২০২১

# অসম গৃহ আৰু অন্যান্য নিৰ্মাণ শ্ৰমিক কল্যাণ পৰিষদৰ পৰিচালনা সমিতিৰ বৈঠকত অংশ ল'লে মুখ্যমন্ত্ৰী সোণোৱালে

**দিছপুৰ, ২৯ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ পৌৰোহিত্যত আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অসম গৃহ আৰু অন্যান্য নিৰ্মাণ শ্ৰমিক কল্যাণ পৰিষদৰ পৰিচালনা সমিতিৰ এক বৈঠক অনুষ্ঠিত হয়। বৈঠকত নিৰ্মাণ শ্ৰমিকৰ সৈতে জড়িত বিভিন্ন দিশ আলোচনা কৰা হয়।

বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে নিৰ্মাণ শ্ৰমিকসকলক উৎসাহিত কৰাৰ বাবে প্ৰতি বছৰে শ্ৰমিক মেলা অনুষ্ঠিত কৰাৰ বাবে শ্ৰম বিভাগক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে নিৰ্মাণ শ্ৰমিকৰ পঞ্জীয়ন প্ৰক্ৰিয়াটো ত্বৰান্বিত কৰা আৰু এই দিশত সচেতনতামূলক পদক্ষেপ গ্ৰহণৰ বাবেও বিভাগক নিৰ্দেশ দিয়ে। পঞ্জীয়ন প্ৰক্ৰিয়াটোৰ জৰিয়তে যাতে সকলো নিৰ্মাণ শ্ৰমিককে সামৰি ল'ব পৰা যায় তাৰ বাবে এখন সমিতি গঠনৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে যাতে সেই সমিতিৰ প্ৰতিবেদনৰ আধাৰত এই ক্ষেত্ৰত যথোপযুক্ত পদক্ষেপ গ্ৰহণ কৰিব পৰা যায়। মুখ্যমন্ত্ৰীয়ে কয় যে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ আঁচনিসমূহত বহু সংখ্যক নিৰ্মাণ শ্ৰমিক জড়িত হৈ আছে। এই শ্ৰমিকসকল পঞ্জীয়নভূক্ত নোহোৱা বাবে তেওঁলোকে প্ৰাপ্য সুবিধাৰ পৰা বঞ্চিত হৈ আহিছে। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জন-ধন যোজনাৰ জৰিয়তে দেশৰ অসংগঠিত শ্ৰমিকসকলক বেংকৰ জৰিয়তে বিত্তীয় অন্তৰ্ভূক্তিলৈ আনিছে। এই শ্ৰমিকসকলৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত ইয়ে বিশেষ ভূমিকা গ্ৰহণ কৰিছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে শ্ৰমিকৰ দক্ষতা বৃদ্ধি, স্বাস্থ্য সেৱা উপলব্ধ কৰাৰ দিশতো প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ কয়। মুখ্যমন্ত্ৰীয়ে শ্ৰমিক সগংঠনসমূহকো শ্ৰমিকসকলক সচেতন কৰি তোলাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

আজিৰ এই বৈঠকত শ্ৰম বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী সঞ্জয় কিষাণ, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, মুখ্যমন্ত্ৰীৰ বিশেষ আয়ুক্ত ৰঞ্জন চক্ৰৱৰ্তী, শ্ৰম বিভাগৰ উচ্চপদস্থ বিষয়া, কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগ, শ্ৰমিক সংগঠনৰ প্ৰতিনিধিও উপস্থিত থাকে।

**পুঃডেঃ**
**২৯/০১/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in